জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৮৪/২০২১

# শিলচৰ আৰ্ৱত ভৱন চৌহদত নিৰ্মিত ডিমাছা কছাৰীৰ শেষৰগৰাকী ৰজা শ্ৰীশ্ৰীশ্ৰী গোবিন্দ চন্দ্ৰ নাৰায়ণ হাচনুৰ প্ৰতিমূৰ্তি উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে

## ডিমাছা কছাৰী ৰাজ্যৰ অন্তিম ৰাজধানী খাচপুৰ পৰিদৰ্শন কৰি স্থাপত্য কলাৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

## খাচপুৰত ১০০ বিঘা ভূমি সামৰি ঐতিহ্যপূৰ্ণ ৰাজধানীখনক পৰ্যটকৰ আকৰ্ষণস্থলীলৈ ৰূপান্তৰৰ বাবে ৰাজ্য চৰকাৰে ৰূপায়ণ কৰিব এক প্ৰকল্প

## কাছাৰৰ ভূৱন তীৰ্থ দৰ্শন মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৯ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শিলচৰ আৰ্ৱত ভৱন চৌহদত নিৰ্মাণ কৰা ডিমাছা কছাৰী সাম্ৰাজ্যৰ শেষৰগৰাকী ৰজা শ্ৰীশ্ৰীশ্ৰী গোবিন্দ চন্দ্ৰ নাৰায়ণ হাচনুৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ডিমাছা কছাৰী ৰজাসকলে বৰাক-ব্ৰহ্মপুত্ৰ দুয়োটা উপত্যকাতে বহু বছৰ ধৰি শাসন চলাইছিল। ইয়াৰে শেষৰগৰাকী ৰজা হ'ল শ্ৰীশ্ৰীশ্ৰী গোবিন্দচন্দ্ৰ নাৰায়ণ হাচনু। এইগৰাকী মহান ৰজাৰ প্ৰতিমূৰ্তি উন্মোচন কৰিবলৈ পাই তেওঁ অতিশয় আনন্দিত হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই প্ৰতিমূৰ্তি নিৰ্মাণত বিশেষ উদ্যোগ লোৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে বৰ্মন ডিমাছা কছাৰী উন্নয়ন পৰিষদক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে খিলঞ্জীয়া জাতি-জনগোষ্ঠীসমূহৰ ভাষা, সংস্কৃতি, ধৰ্ম আৰু বিশ্বাসক সংৰক্ষণ কৰিবলৈ ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ চলাইছে। ক্ষুদ্ৰ জাতি-জনগোষ্ঠীসমূহৰ ভাষা, সংস্কৃতি কিদৰে সংৰক্ষণ কৰিব পৰা যায় সেই দিশত ৰাজ্য চৰকাৰে ইতিমধ্যে প্ৰয়াস আৰম্ভ কৰিছে। তেওঁ কয় যে ডিমাছা কছাৰীসকল হোজাই, ধনশিৰিকে ধৰি বিভিন্ন ঠাইত সিচঁৰতি হৈ আছে। বিভিন্ন ঠাইত থকা জনগোষ্ঠীসমূহৰ উন্নয়নৰ ওপৰত ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। বৰ্মন ডিমাছাসকলৰ ঐতিহ্য সংৰক্ষণৰ বাবেও ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব বুলি তেওঁ কয়।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

আজিৰ এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা, সাংসদদ্বয় ক্ৰমে ডাঃ ৰাজদ্বীপ ৰয়, পল্লৱ লোচন দাস, বিধায়কদ্বয় ক্ৰমে দীপায়ন চক্ৰৱৰ্তী আৰু কৌশিক ৰয়, বৰ্মন ডিমাছা কছাৰী উন্নয়ন পৰিষদৰ অধ্যক্ষ ৰূপেশ খেৰচাকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

আনহাতে মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি কাছাৰ জিলাৰ উদাৰবন্দস্থিত ডিমাছা কছাৰী ৰাজ্যৰ অন্তিমখন ৰাজধানী খাচপুৰত উপস্থিত হৈ তাত থকা স্থাপত্যশৈলী পৰিদৰ্শন কৰে। ইয়াৰ পিছতে অনুষ্ঠিত হোৱা এক ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে খাচপুৰত ১০০ বিঘা ভূমি সামৰি এটা প্ৰকল্প ৰূপায়ণ কৰা হ'ব যাতে এই ঐতিহ্যপূৰ্ণ ৰাজধানীখন পুনৰ উজলি উঠাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ স্থলীলৈ ৰূপান্তৰিত হয়। ৰাজ্য চৰকাৰে খিলঞ্জীয়া জাতি-জনগোষ্ঠীসমূহৰ ভাষা, সাহিত্য, সংস্কৃতি সুৰক্ষিত কৰাৰ বাবে খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি নামৰ এক সুকীয়া বিভাগ সৃষ্টি কৰিছে। এই বিভাগৰ জৰিয়তে ডিমাছা কছাৰীসকলৰ ঐতিহাসিক সমল, সংস্কৃতি, ভাষা ইত্যাদি সুৰক্ষিত কৰা হ'ব। তেওঁ লগতে কয় যে বৰ্মন ডিমাছা কছাৰী উন্নয়ন পৰিষদখন অধিক শক্তিশালী কৰা হ'ব যাতে এই জনগোষ্ঠীটোৰ আৰ্থ-সামাজিক ৰূপান্তৰ ক্ষিপ্ৰতৰ কৰি তুলিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে পয়লা পুলৰ পৰা মদুৰা হৈ ৰেডজল সংযোগী পথছোৱাৰ উন্নীতকৰণ কৰা হ'ব বুলি কয়।

বিধায়ক মিহিৰ কান্তি সোমে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত সাংসদ ডাঃ ৰাজদ্বীপ ৰয়েও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, সাংস্কৃতিক, পৰ্যটন ইত্যাদি বিভাগৰ মন্ত্ৰী বিমল বৰা, সাংসদ পল্লৱ লোচন দাস, বিধায়কদ্বয় দীপায়ন চক্ৰৱৰ্তী, কৌশিক ৰয়ৰ লগতে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

আনহাতে মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি কাছাৰ জিলাৰ ভূৱন পাহাৰত অৱস্থিত ভূৱন তীৰ্থত উপস্থিত হৈ ৰাজ্যবাসীৰ কুশল-মংগল কামনা কৰি সেৱা লয়। ভূৱন তীৰ্থত অনুষ্ঠিত অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভূৱন তীৰ্থ হ'ল এক ঐতিহাসিক তীৰ্থস্থান। এই তীৰ্থস্থানখনৰ সংৰক্ষণৰ বাবে ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ। চৰকাৰে স্থানীয় জনসাধাৰণৰ সহযোগত ভূৱন তীৰ্থক এক গুৰুত্বপূৰ্ণ ধৰ্মীয় পৰ্যটনৰ স্থলী হিচাপে গঢ়ি তোলাৰ দিশত পদক্ষেপ গ্ৰহণ কৰিব বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে ভূৱন তীৰ্থ দৰ্শনৰ সময়ত পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা, সাংসদদ্বয় ক্ৰমে ডাঃ ৰাজদ্বীপ ৰয়, পল্লৱ লোচন দাসৰ লগতে বহু কেইগৰাকী বিধায়ক উপস্থিত থাকে।

**পুঃডেঃ**
**১৯-০৯-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in